জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭/২০২১

# বিজ্ঞান জনপ্ৰিয়কৰণৰ দিশত নৱতম সংযোজনেৰে সোণাপুৰৰ টেপেছিয়াত বিজ্ঞান নগৰী, গুৱাহাটীৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

**দিছপুৰ, ১৮ জানুৱাৰী ঃ** তৃণমূল পৰ্যায়ত বিজ্ঞান জনপ্ৰিয়কৰণৰ দিশত নৱতম সংযোজনেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সোণাপুৰৰ টেপেছিয়াত ১৮৪ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিবলগীয়া বিজ্ঞান নগৰী, গুৱাহাটীৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ২৫০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰিবলগীয়া এই বিজ্ঞান নগৰীৰ মূল ভৱনৰ আজি আধাৰশিলা স্থাপন কৰা হৈছে যদিও এই বিজ্ঞান নগৰীৰ বাবে প্ৰয়োজনীয় ৰাস্তা-ঘাট, নলা-নৰ্দমা ইত্যাদি ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰায় সম্পূৰ্ণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনৰ নেশ্যনেল কাউন্সিল অব্ চাইন্স মিউজিয়াম আৰু ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ যুটীয়া উদ্যোগত স্থাপন হ'বলগীয়া এই বিজ্ঞান নগৰীৰ মূল ভৱন নিৰ্মাণত ১১০ কোটি টকা ব্যয় হ'ব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই পুঁজিৰ ৯০ ঃ ১০ হাৰত ব্যয় কৰিব।

এই উপলক্ষে ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ দ্বাৰা আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২১ শতিকা হ'ল বিজ্ঞান আৰু প্ৰযুক্তিৰ শতিকা। সেয়েহে এই প্ৰতিযোগিতাৰ যুগত তিষ্ঠি থাকিবলৈ হ'লে আমাৰ উঠি অহা প্ৰজন্মই সকলো দিশতে পাৰদৰ্শিতা প্ৰদৰ্শনেৰে শ্ৰেষ্ঠ মানৰ সম্পদ হিচাপে বিশ্বৰ বুকুত উজলি উঠিব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গুৱাহাটী মহানগৰীক কেৱল মাত্ৰ উত্তৰ-পূবৰ দুৱাৰমুখ হিচাপে সীমাবদ্ধ ৰাখিব খোজা নাই, সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে ইয়াক গঢ়ি তুলিব বিচাৰিছে। সেয়েহে বৰ্তমানৰ চৰকাৰে গুৱাহাটী মহানগৰীকে ধৰি ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিজ্ঞান নগৰী,গুৱাহাটীৰ নিৰ্মাণৰ পদক্ষেপে গুৱাহাটী মহানগৰীৰ গুৰুত্ব বৃদ্ধি কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বতে আমাৰ ছাত্ৰ-ছাত্ৰীকে ধৰি অন্যান্য লোকে বিজ্ঞান নগৰী দৰ্শনৰ বাবে কলকাতা ইত্যাদিৰ দৰে মহানগৰ ভ্ৰমণ কৰিব লাগিছিল যদিও এই সুবিধা এতিয়া ইয়াতে উপলব্ধকৰণেৰে ৰাইজৰ এক বহুদিনীয়া সপোন পূৰণ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে এই বিজ্ঞান নগৰী দৰ্শনৰ বাবে দেশৰ লগতে দেশ-বিদেশৰ পৰ্যটকসকলো সমবেত হ'ব বুলি কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে আৰম্ভণিৰে পৰা বিশেষ গুৰুত্ব আৰোপেৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠাসহকাৰে অধ্যয়নত ব্ৰতী হৈ বিজ্ঞানমনস্ক মানসিকতাৰে নিজকে গঢ় দিয়াৰ উপৰি সমাজখনকো আগুৱাই লৈ যোৱাৰ বাবে আহ্বান জনায়। বিজ্ঞান আৰু প্ৰযুক্তি অবিহনে বৰ্তমান সময়ত কোনো সমাজ আগবাঢ়িব নোৱাৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষক ৰাইজৰ মাটিৰ গুণাগুণ পৰীক্ষা কৰাৰ বাবে চয়েল হেলথ কাৰ্ড প্ৰদানৰ যি পদক্ষেপ লৈছে ইয়ে

কৃষকৰ উৎপাদন বৃদ্ধিত সহায় কৰিছে বুলিও কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে টেপেছিয়াৰ স্থানীয় ৰাইজক এই বিজ্ঞান নগৰী প্ৰতিষ্ঠাৰ দিশত অন্তঃকৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে কেৱল আন্তঃগাঁথনিহে নিৰ্মাণ কৰিব পাৰে, ইয়াৰ স্থায়িত্ব আৰু উপযোগিতা চিৰদিনৰ বাবে বৰ্তাই ৰাখিবলৈ হ'লে স্থানীয় ৰাইজে এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ ল'ব লাগিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিজ্ঞান প্ৰযুক্তি, জলসম্পদ ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই অসমৰ ইতিহাসত বিজ্ঞান নগৰী সংযোজিত হ'বলগীয়া আজিৰ দিনটোক এক যুগান্তকাৰী দিন হিচাপে অভিহিত কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে বিজ্ঞান নগৰীৰ মূল গৃহৰ কাম আজি শুভাৰম্ভণি কৰা হৈছে যদিও ইয়াৰ বাবে প্ৰয়োজনীয় আন আন আন্তঃগাঁথনি চৰকাৰে ইতিমধ্যে সম্পন্ন কৰিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বাবে যিমান বাজেট ব্যৱস্থাপনা কৰিছে, ইয়াৰ পূৰ্বে ৬০ বছৰতো সেই পৰিমাণৰ বাজেট উপলব্ধ কৰোৱা হোৱা নাছিল বুলিও তেওঁ কয়। ইয়াৰ পৰাই বৰ্তমানৰ সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে বিজ্ঞান জনপ্ৰিয়কৰণৰ দিশত কিমান গুৰুত্ব প্ৰদান কৰিছে সেইটো জলজল পটপটকৈ জনসাধাৰণৰ সন্মুখত স্পষ্ট হৈ পৰিছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাতে গুৱাহাটীৰ ৰিজনেল চাইন্স চেন্টাৰৰ সমপৰ্যায়ৰ জিলা বিজ্ঞান কেন্দ্ৰ গঢ়াৰ বাবে লোৱা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ ইচৰোৰ কেন্দ্ৰ আমিনগাঁৱত স্থাপন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় ভূমি অধিগ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰাৰ লগতে আমিনগাঁৱৰ ৬৪ বিঘা ভূমি সামৰি নিৰ্মাণ কৰি থকা বায়'টেক পাৰ্কৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলিও উল্লেখ কৰে। ঠিক তেনেদৰে মদন কামদেৱৰ ওচৰত আসাম বায়' ৰিচাৰ্চ চেন্টাৰ প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে বুলিও কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে তৃণমূল পৰ্যায়ত বিজ্ঞানক জনপ্ৰিয়কৰণৰ বাবে মুখ্যমন্ত্ৰীৰ বিজ্ঞান দৰ্শন আঁচনি, 'মানুহে মানুহৰ বাবে' ইত্যাদিৰ দৰে সবল আঁচনি ৰূপায়ণ কৰি আছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰে বিজ্ঞান আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে যি পদক্ষেপ লৈছে সেই পদক্ষেপে বিজ্ঞানৰ দিশত ৰাজ্যখনক ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ আন্তঃগাঁথনিৰ ৰাজ্য হিচাপে অচিৰেই পৰিগণিত কৰিব বুলিও তেওঁ কয়।

অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ সচিব তথা বিজ্ঞান নগৰী, গুৱাহাটীৰ মুখ্য কাৰ্যবাহী বিষয়া হেমেন দাসে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ কুইন ওজা, দিছপুৰ বিধান সভা সমষ্টিৰ বিধায়ক অতুল বৰা, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাচীয়েও বিজ্ঞান নগৰীৰ বিভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত স্থাপন হ'বলগীয়া বিজ্ঞান নগৰীৰ বিভিন্ন দিশ আলোকপাত কৰি এক অডিঅ'-ভিজুৱেল প্ৰেজেন্টেশ্যনো আগবঢ়োৱা হয়। অনুষ্ঠানত লোক নিৰ্মাণ (গৃহ) বিভাগৰ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তী, নেশ্যনেল কাউন্সিল অৱ চাইন্স মিউজিয়ামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সঞ্চালক নটৰাজ দাসগুপ্তাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**১৮/০১/২০২১**